# 2023

## ASSAMESE

## ABILITY ENHANCEMENT COURSE (AEC)

**Full Marks : 30**

**Time : 1.5 hours**

*The figures in the margin indicate full marks for the questions.*

১। চমু উত্তৰ দিয়া। ১×৫=৫

ক) গৌণ চিহ্ন নথকা অসমীয়া স্বৰধ্বনিটো উল্লেখ কৰা।

খ) অসমীয়া ভাষাত বিশিষ্ট ব্যঞ্জন বৰ্ণ কেইটা পোৱা যায়?

গ) তদ্ধিৎ প্ৰত্যয় বুলিলে কি বুজা?

ঘ) এবিধ আনুষ্ঠানিক যোগাযোগ ব্যৱস্থাৰ নাম লিখা।

ঙ) বৃত্তিগত বিজ্ঞাপন কাক বোলে?

২। তলৰ যিকোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখা। ২×৫=১০

ক) অসমীয়া শ্ৰুতিধ্বনি দুটা উল্লেখ কৰা।

P.T.O.

খ) অসমীয়া বিশিষ্ট স্বৰবৰ্ণ (Phoneme) কেইটা উল্লেখ কৰা।

গ) দুবিধ ভাবযতিৰ উদাহৰণ দিয়া।

ঘ) অসমীয়া ভাষাৰ দ্বিস্বৰ ধ্বনি দুটা কি কি?

ঙ) চন্দ্ৰবিন্দু ব্যৱহাৰৰ দুটা নিয়ম উল্লেখ কৰা।

চ) আবেদনৰ প্ৰকাৰ কেইটা আৰু কি কি?

ছ) বিজ্ঞাপনৰ দুবিধ প্ৰকাৰৰ নাম লিখা।

জ) বাতৰিৰ শিৰোনাম লিখনৰ দুটা মৌলিক নিয়ম উল্লেখ কৰা।

ঝ) প্ৰতিবেদনৰ দুটা বৈশিষ্ট্য লিখা।

ঞ) নিবিদা লেখনৰ দুটা উল্লেখযোগ্য দিশ উল্লেখ কৰা।

৩। যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখিবা। ৫×৩=১৫

ক) যতিচিহ্ন কাক বোলে? যতিচিহ্নৰ শ্ৰেণীবিভাজন সম্পৰ্কে লিখা।

খ) বিভক্তি কি? অসমীয়া ভাষাত ব্যৱহৃত বিভক্তিৰ শ্ৰেণীবিভাগ কৰি উদাহৰণসহ বুজাই লিখা।

গ) বিজ্ঞাপন কাক বোলে? বিজ্ঞাপন লেখনৰ ক্ষেত্ৰত প্ৰদান কৰিবলগীয়া গুৰুত্ব সম্পৰ্কে উল্লেখ কৰি এটি টোকা যুগুত কৰা।

*Continued*

ঘ) আবেদন এখনৰ মূল অংশসমূহৰ বিষয়ে আলোচনা কৰা।

ঙ) বাতৰি এটাৰ পাঁচটা ডব্লিউ (5 w.s) আৰু এটা এইচ (H) মানে কি আলোচনা কৰা।

চ) মহাবিদ্যালয়ৰ নতুন গৃহ নিৰ্মাণৰ বাবে নিবিদা বিচাৰি এখন নিবিদা জাননী প্ৰস্তুত কৰা।

* * *

# 2023

# HUMANITIES AND SOCIAL SCIENCE-I

## PAPER CODE : MDC010503

**Full Marks : 45**

**Time : 2 hours**

*The figures in the margin indicate full marks for the questions.*

1. Answer the following questions in one word or one sentence : (Any three) 1×3=3
তলত দিয়া প্ৰশ্নসমূহৰ এটা শব্দ বা এটা বাক্যত উত্তৰ দিয়া। (যিকোনো তিনিটা)

(a) Write the name of the only novel authored by Lakshminath Bezbaroa.
লক্ষ্মীনাথ বেজবৰুৱাৰ একমাত্ৰ উপন্যাসখনৰ নাম লিখা।

(b) Who was the first President of Asom Satra Sanmilan?
অসম ছাত্ৰ সন্মিলনৰ প্ৰথম সভাপতি কোন আছিল?

(c) What is the name of the autobiography written by Rajabala Das?
ৰাজবালা দাসৰ আত্মজীৱনীখনৰ নাম কি?

*P.T.O.*

(d) For which Hindi film Dr. Bhupen Hazarika won the National Award for Best Music Director?
ড° ভূপেন হাজৰিকাই কোনখন হিন্দী চলচ্চিত্ৰৰ বাবে শ্ৰেষ্ঠ সংগীত পৰিচালকৰ ৰাষ্ট্ৰীয় বঁটা লাভ কৰিছিল ?

(e) Which was the first Assamese Newspaper?
প্ৰথম অসমীয়া বাতৰি কাকত কোনখন আছিল ?

2. Answer the following questions (any five) 2×5=10
তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যিকোনো পাঁচটা) ঃ

(a) When and where Assam Lekhika Parishad's first convocation was held?
অসম লেখিকা পৰিষদৰ প্ৰথম সমাৱৰ্তন কেতিয়া আৰু ক'ত অনুষ্ঠিত হৈছিল ?

(b) Mention two leaders of Assam who were put in jail for participation in Non-cooperation Movement.
অসহযোগ আন্দোলনত যোগদান কৰাৰ বাবে কাৰাবাস খটা অসমৰ দুজন নেতাৰ নাম লিখা।

(c) Where and when was the eassy 'Englandar Biwaran' published?
'ইংলণ্ডৰ বিৱৰণ' নামৰ প্ৰবন্ধটি ক'ত আৰু কেতিয়া প্ৰকাশ হৈছিল ?

(d) Mention two aims of Brahmo Dharma.
ব্ৰাহ্ম ধৰ্মৰ দুটা লক্ষ্য উল্লেখ কৰা।

*Continued*

(e) In which year Handique Girl's College was established? Who was the founder Principal?
কোনটো বৰ্ষত হাণ্ডিকৈ ছোৱালী মহাবিদ্যালয় প্ৰতিষ্ঠা হৈছিল ? এই মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ কোন আছিল ?

(f) Where was the first conference of Assam Association held and who was the president of it?
অসম এচছিয়েছনৰ প্ৰথম সন্মিলন ক'ত অনুষ্ঠিত হৈছিল আৰু ইয়াৰ সভাপতি কোন আছিল ?

(g) Write two characteristics of the songs of Dr. Bhupen Hazarika.
ড° ভূপেন হাজৰিকাৰ গীতৰ দুটা বৈশিষ্ট্য লিখা।

(h) Mention the name of two American Baptist Missionaries.
দুগৰাকী আমেৰিকান বেপ্টিষ্ট মিচনেৰীৰ নাম উল্লেখ কৰা।

(i) Name the two historical plays of Lakshminath Bezbaroa.
লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা দুখন ঐতিহাসিক নাটকৰ নাম লিখা।

(j) Who did give the title 'Kalaguru' to Bishnuprasad Rabha? Why it was given to him?
বিষ্ণুপ্ৰসাদ ৰাভাক 'কলাগুৰু' উপাধি কোনে দিছিল ? এই উপাধি কিয় প্ৰদান কৰিছিল ?

3. Answer the following questions (Any four) : 5×4=20
তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখা (যিকোনো চাৰিটা) ঃ

(a) What were the aims of Assam Association?
অসম এচ'ছিয়েছনৰ লক্ষ্যসমূহ কি আছিল ?

*P.T.O.*

(b) Write a brief note on literary works of Rajabala Das.
ৰাজবালা দাসৰ সাহিত্যকৃতি সম্পৰ্কে এটি সংক্ষিপ্ত টোকা লিখা।

(c) Write a brief note on the contribution of Jytiprasad Agarwala to the Assamese film industry.
অসমীয়া চলচ্চিত্ৰ জগতলৈ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অৱদান সম্পৰ্কে আলোচনা কৰা।

(d) Write a short note on Grouping Plan.
গ্ৰুপিং প্লেনৰ বিষয়ে এটি চমুটোকা লিখা।

(e) Discuss how revolutionarry thought is expressed through the songs of Bishnuprasad Rabha.
বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতৰ মাজেৰে বৈপ্লৱিক চিন্তাধাৰা কেনেদৰে প্ৰকাশিত হৈছে আলোচনা কৰা।

(f) Write a short note on Asom Lekhika Samaroh.
অসম লেখিকা সমাৰোহ সম্পৰ্কে এটি চমু টোকা প্ৰস্তুত কৰা।

(g) Discuss the contribution of Bhimbar Deuri in Tribal upliftment.
জনজাতি উন্নীতকৰণত ভীমবৰ দেউৰীৰ অৱদান আলোচনা কৰা।

(h) Prepare a short note on short stories of Lakshminath Bezbaroa.
লক্ষ্মীনাথ বেজবৰুৱাৰ চুটিগল্প সম্পৰ্কে এটি চমুটোকা প্ৰস্তুত কৰা।

*Continued*

4. Answer the following questions (Any one) : 10×1=10

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা (যিকোনো এটা) ঃ

(a) Discuss the role of American Baptist Missionaries in the development of women's education and literature in Assam.

অসমত নাৰীশিক্ষা আৰু সাহিত্যৰ বিকাশত আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকলৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

(b) Discuss the contribution of Anandaram Dhekial Phukan to the Assamese literature as a pioneer of modern literature.

আধুনিক অসমীয়া সাহিত্যৰ এগৰাকী বাটকটীয়া হিচাপে আনন্দৰাম ঢেকিয়াল ফুকনৰ অৱদান সম্পৰ্কে আলোচনা কৰা।

(c) Discuss the role played by Tarun Ram Phukan in the freedom movement of India.

ভাৰতৰ স্বাধীনতা আন্দোলনত তৰুণৰাম ফুকনৰ ভূমিকা আলোচনা কৰা।

(d) Explain the life and contribution of Amal Prabha Das towards social reform, Gandhian principles and community development.

সমাজ সংস্কাৰ, গান্ধীবাদী নীতি আৰু সম্প্ৰদায় উন্নয়নৰ দিশত অমল প্ৰভা দাসৰ জীৱন আৰু অৱদানৰ বিষয়ে ব্যাখ্যা কৰা।

*  *  *

*Total number of printed pages-4*

**1 (Sem-1) ASS**

**2023**

**ASSAMESE**

Paper : ASS0100104

***[Axomiya Bhasha Aru Sahityor Itihash (up to Year 1826)]***

*Full Marks : 60*

Time : 2½ hours

***The figures in the margin indicate full marks for the questions.***

১। অতি চমুকৈ উত্তৰ দিয়া ঃ ১×৮=৮

(ক) অসমীয়া ভাষাৰ লিখিত সাহিত্যৰ প্ৰথম নিদৰ্শন কি?

(খ) হেমচন্দ্ৰ গোস্বামীয়ে সংকলন কৰা অসমীয়া সাহিত্যৰ বুৰঞ্জীখনৰ নাম লিখা।

(গ) অসমীয়া লোকগীতৰ এটি শ্ৰেণীবিভাগ উল্লেখ কৰা।

(ঘ) বৰগীতক কোনগৰাকী পণ্ডিতে 'Noble Numbers' আখ্যা দিছে?

*Contd.*

(ঙ) হেম সৰস্বতীয়ে কোন ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল?

(চ) কোনগৰাকী পাঁচালী কবিৰ ৰচনা জনসমাজত 'সুকনান্নী' নামে জনাজাত?

(ছ) 'অসমৰ ৰণোদ্যম' পাঠ্যাংশ কোনখন বুৰঞ্জীৰ পৰা সংগৃহীত?

(জ) ভট্টদেৱৰ প্ৰকৃত নাম কি?

২। চমু উত্তৰ দিয়া : *(যিকোনো ছটা)* ২×৬=১২

(ক) "তেওঁলোকৰ (কামৰূপৰ মানুহৰ) ভাষা মধ্য-ভাৰতৰ ভাষাতকৈ অলপ বেলেগ।" অসমীয়া ভাষা সম্পৰ্কে কোনগৰাকী পৰিব্ৰাজকে কোন শতিকাত এই মন্তব্য কৰিছিল?

(খ) চতুৰ্থ-পঞ্চম শতিকাৰ *দুখন* প্ৰাচীন অসমীয়া শিলালিপিৰ নাম লিখা।

(গ) প্ৰাচীন অসমীয়া সাহিত্যৰ উত্থান আৰু বিকাশৰ *দুটা* পটভূমি উল্লেখ কৰা।

(ঘ) কোনগৰাকী কবিক অসমীয়া ব্যাস আখ্যা দিব পাৰি আৰু তেওঁ কোন যুগৰ কবি আছিল?

(ঙ) ঝুমুৰাৰ ৰচক কোন? তেওঁৰ কোনখন নাটক ঝুমুৰাৰ শ্ৰেণীত নপৰে?

(চ) শংকৰদেৱে কেইপ্ৰকাৰ ভটিমাৰ প্ৰৱৰ্তন কৰিছিল? তাৰে *যিকোনো এটা* প্ৰকাৰ উল্লেখ কৰা।

(ছ) মহেশ্বৰ নেওগে সম্পাদনা কৰা 'গুৰু-চৰিতকথা' প্ৰথমে ক'ৰ পৰা আৰু কোন চনত প্ৰকাশ হৈছিল?

(জ) 'হস্তীবিদ্যাৰ্ণৱ' গ্ৰন্থখন কোনখন সংস্কৃত গ্ৰন্থৰ আলমত ৰচিত? সংস্কৃত গ্ৰন্থখনৰ ৰচক কোন?

(ঝ) কামৰূপৰ *দুগৰাকী* চৰ্যাকাৰৰ নাম লিখা।

(ঞ) অসমীয়া আৰু বাংলা উমৈহতীয়া সাহিত্যৰ বৈশিষ্ট্য পৰিলক্ষিত হোৱা *দুখন* গ্ৰন্থ উল্লেখ কৰা।

৩। চমু উত্তৰ লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) 'গুৰু-শিষ্যৰ মণিকাঞ্চন' কথাষাৰে কি বুজাইছে চমুকৈ লিখা।

(খ) ভট্টদেৱৰ সাহিত্যকৃতি চমুকৈ আলোচনা কৰা।

(গ) মাধৱ কন্দলি ৰচিত ৰামায়ণৰ 'লংকাৰ বিৱৰণ' পাঠটিত লংকাৰ বৰ্ণনা কেনেদৰে দাঙি ধৰিছে তোমাৰ ভাষাৰে লিখা।

(ঘ) 'একবাৰ হৰিবোল মন ৰচনা' লোকগীতটিত ফুটি উঠা আধ্যাত্মিক ভাব তোমাৰ ভাষাৰে বৰ্ণনা কৰা।

(ঙ) প্ৰাক্-শংকৰী যুগৰ কবি আৰু তেওঁলোকৰ কাব্যৰচনাৰ আভাস দিয়া।

(চ) অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাসত ১৮২৬ চনটোৰ গুৰুত্ব বৰ্ণনা কৰা।

(ছ) বৰগীতৰ বৈশিষ্ট্য সম্পৰ্কে চমুকৈ লিখা।

(জ) মাধৱদেৱৰ নাট্যপ্ৰতিভাৰ পৰিচয় দাঙি ধৰা।

৪। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ কৰা ঃ ১০×২=২০

(ক) ‘উষ্ণা উষ্ণা পৰৱত তই সবৰী বালী’
চৰ্যাগীতটোৰ ভাবাৰ্থ লিখি ইয়াৰ সাহিত্যিক সৌন্দৰ্য বিচাৰ কৰা।

(খ) অসমীয়া সাহিত্যক কি কি যুগত কেনেদৰে ভাগ কৰিব পাৰি বহলাই আলোচনা কৰা।

(গ) বধকাব্যৰ বৈশিষ্ট্য উল্লেখ কৰি ‘ভীমচৰিত’ গ্ৰন্থত বধকাব্যৰ কি কি লক্ষণ ফুটি উঠিছে ফঁহিয়াই দেখুওৱা।

(ঘ) পাঁচালী সাহিত্য বুলিলে কি বুজা? অসমীয়া সাহিত্যৰ ইতিহাসত পাঁচালী কবি আৰু তেওঁলোকৰ সাহিত্যকৃতিৰ স্থান নিৰ্ণয় কৰা।

(ঙ) ‘হস্তীবিদ্যাৰ্ণৱ’ পুথিত হাতীৰ কি কি লক্ষণ, ৰোগ আৰু চিকিৎসাৰ উল্লেখ পোৱা যায় বৰ্ণনা কৰি এই পুথিৰ গদ্যৰ বৈশিষ্ট্য বিশ্লেষণ কৰা।

---